# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 25-06-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

:::::::::::::::::::::::::::::::::

১৯৭৫ চনত দেশত জৰুৰী অৱস্থা ঘোষণাৰ ৫০ বছৰ পূৰ্ণ হোৱা দিনটো আজি দেশত সংবিধান হত্যা দিৱস হিচাপে পালন কৰা হৈছে। দেশৰ আন অংশৰ লগতে অসমতো আজি সংবিধান হত্যা দিৱস পালন কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত এই দিৱসত অংশ লৈ জৰুৰীকালীন অৱস্থাৰ ৫০ বছৰ পাছতো কংগ্ৰেছৰ এই ধৰণৰ মানসিকতাৰ পৰিৱৰ্তন হোৱা নাই আৰু সময়ে সময়ে এই মানসিকতা পৰিলক্ষিত হৈ আহিছে বুলি মন্তব্য কৰে। তেওঁ কয় যে জৰুৰীকালীন অৱস্থাৰ ক'লা অধ্যায় জনসাধাৰণে পাহৰা উচিত নহয় আৰু ভৱিষ্যতে যাতে ইয়াৰ পুনৰাবৃত্তি হ'ব নোৱাৰে তাৰ বাবে সচেতন হোৱা উচিত। ইফালে চৰাইদেউ জিলাত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত সংবিধান হত্যা দিৱসৰ কাৰ্যসূচীত জিলা নিৰ্বাচনী বিষয়া অদিতি নেওগ নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে। তেজপুৰত অনুষ্ঠিত সংবিধান হত্যা দিৱসত জিলা উন্নয়ন আয়ুক্ত লক্ষীনন্দন চহৰীয়া, অতিৰিক্ত আয়ুক্ত কবিতা কাকতি কোঁৱৰ, টৰাহৰি আলমকে ধৰি জিলা প্ৰশাসনৰ কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত থাকে। একেদৰে নগাওঁ, লখিমপুৰ, ডিব্ৰুগড়, যোৰহাটকে ধৰি আন কেইবাখনো জিলাত সংবিধান হত্যা দিৱস পালনৰ বাতৰি আমালৈ আহিছে।

০০০০

ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মীয়মান গুৱাহাটীৰ পৰা উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বাৰ্মা সেঁতুৰ কাম ডিচেম্বৰ-জানুৱাৰীৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে প্ৰস্তুতি চলাই থকা হৈছে। গৌৰীপুৰত ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰ বুজ লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি এই বিষয়ে প্ৰকাশ কৰে। পৰিদৰ্শনকালত ড° শৰ্মাই নিৰ্মাণ কাৰ্যৰ সৈতে জড়িত প্ৰতিষ্ঠানৰ প্ৰতিনিধি, লোক নিৰ্মাণ বিভাগৰ বিষয়াৰ উপস্থিতিত ট্ৰাম্পেটৰ নিৰ্মাণ কাৰ্যৰ বিভিন্ন কাৰিকৰী দিশৰ বিষয়ে বিশদভাৱে পৰ্যালোচনা আৰু যাৱতীয় নিৰ্দেশ দিয়ে।

০০০০

অভ্যন্তৰীণ জল পৰিবহণ বিভাগে ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত মাজুলীৰ অফলামুখ-নিমাতী ফেৰী সেৱা অনিৰ্দিষ্ট কাললৈ বন্ধ ঘোষণা কৰিছে। যাত্ৰীসকলৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি অভ্যন্তৰীণ জল পৰিবহণ বিভাগে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। পুৱা তিনিখন ফেৰী অফলামুখ ঘাটৰ পৰা নিমাতীলৈ গৈছিল যদিও

১০ বজাৰ পাছৰ পৰা সকলো ফেৰী সেৱা বন্ধ কৰি দিয়া হৈছে। অৱশ্যে নিমাতী-কমলাবাৰী ঘাটৰ ফেৰী সেৱা অব্যাহত আছে।

০০০০

কাছাৰৰ বিশেষ ন্যায়াধীশ বিপ্ৰজিৎ ৰায়ে মাদক দ্ৰব্য সৰবৰাহত জড়িত দুজন মিজো যুৱকক ১০ বছৰৰ কাৰাদণ্ড দিয়ে। ইয়াৰে এজন মিজোৰামৰ আইজল ভেনচাকৰ বাসিন্দা জোছেফ লালনুনমাওয়া আৰু আনজন হৈছে আইজল তুইকোৱাল নৰ্থৰ এফ লালমংগাইজোৱালা বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে ২০২৩ চনত শিলচৰ বিমান বন্দৰত মেথামফেটামাইন সৰবৰাহ কৰি থকা অৱস্থাত দুয়োগৰাকী লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল।

০০০০

ৰাজ্যৰ প্ৰতিখন জিলাৰ লগতে দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সৰ্বাত্মক উন্নয়নৰ উদ্দেশ্যে অতিৰিক্ত মুখ্য সচিব ডং বল্লেপু কল্যাণ চক্ৰৱৰ্তী আজি জিলাখনত উপস্থিত হয়। ডং চক্ৰৱৰ্তীয়ে জিলাখনৰ টুমনি এলেকাত কেইবাখনো চৰকাৰী আঁচনি পৰ্যবেক্ষণ কৰাৰ পাছত জিলা সদৰ হাটশিঙিমাৰীৰ ফেকামাৰী খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত জিলাখনৰ বিভিন্ন সমস্যা সন্দৰ্ভত আলোচনা কৰে। ইয়াৰ পাছত অতিৰিক্ত মুখ্য সচিবগৰাকী মানকাচৰলৈ ৰাওনা হয়। তেওঁ জিলাখনৰ প্ৰতিটো সমস্যা সমাধানৰ বাবে প্ৰতিবেদন প্ৰস্তুত কৰি জিলা উন্নয়নৰ বাবে মুখ্যমন্ত্ৰীৰ ওচৰত প্ৰতিবেদন দাখিল কৰিব বুলি জানিবলৈ দিয়ে।

০০০০

কামৰূপ মহানগৰৰ জিলা মহিলা আৰু শিশু বিকাশ বিভাগৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত আজি ৪৪১ গৰাকী অংগনবাড়ী কৰ্মীৰ মাজত মোবাইল ফোন বিতৰণ কৰা হয়। ডিজিটেল ব্যৱস্থাৰ সৈতে ফেৰ মাৰি অংগনৱাড়ী কৰ্মীসকলক নিজৰ কাম নিয়াৰিকৈ সম্পাদন কৰাৰ কাৰ্যত সহায়ক হোৱাৰ উদ্দেশ্যে এই ফোনসমূহ বিতৰণ কৰা হয়। গুৱাহাটীৰ লতাশিলত অৱস্থিত বিষ্ণু-নিৰ্মলা ভৱনত আয়োজিত এই সভাত বিধায়কদ্বয় ৰমেন্দ্ৰ নাৰায়ণ কলিতা আৰু সিদ্ধাৰ্থ ভট্টাচাৰ্য উপস্থিত থাকে। এই সভাতেই প্ৰতিটো অংগনৱাড়ী কেন্দ্ৰকেই আদৰ্শ অংগনৱাড়ী কেন্দ্ৰলৈ ৰূপান্তৰ কৰিবলৈ বিভাগে লোৱা পদক্ষেপৰ বিষয়তো আলোকপাত কৰা হয়। কামৰূপ মহানগৰ জিলাৰ ভাৰপ্ৰাপ্ত সমাজকল্যাণ বিষয়াৰ ভাষণেৰে শুভাৰম্ভ হোৱা এই সভাত পুষ্টিহীনতাত ভোগা শিশু আৰু গৰ্ভৱতী মহিলাৰ বাবে বিভাগে বিশেষ ব্যৱস্থা লোৱাৰ কথাও সদৰি কৰা হয়।

গোলাঘাট জিলাৰ মৰঙি সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনত আজি অংগনৱাড়ী কৰ্মীসকলৰ মাজত মোবাইল ফোন বিতৰণ কৰা হয়। এই কাৰ্যসূচীত খুমটাই বিধানসভা সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াৰ লগতে উন্নয়ন প্ৰকল্পটোৰ বিষয়া-কৰ্মীসকলে অংশগ্ৰহণ কৰে।

০০০০

অসমে হাৰিয়ানাৰ ৰ'হটকত অনুষ্ঠিত ১৭ বছৰ অনুৰ্দ্ধ ষষ্ঠ ৰাষ্ট্ৰীয় জুনিয়ৰ বক্সিং প্ৰতিযোগিতাত চাৰিটা ব্ৰঞ্জৰ পদকেৰে অভিযান সামৰিছে। আজি সামৰণি পৰা প্ৰতিযোগিতাখনত অসমৰ হৈ মনিকা দলে ৪৪ৰ পৰা ৪৬, নমিতা সিঙে ৫২ৰ পৰা ৫৬, ধান্তি শইকীয়াই ৬০ৰ পৰা ৬৩ আৰু জয়শ্ৰী ডেকাই ৭৫ৰ পৰা ৯০ কিলোগ্ৰাম ওজন শাখাত ব্ৰঞ্জৰ পদক লাভ কৰিছে। অসম বক্সিং সন্থাৰ সাধাৰণ সম্পাদক হেমন্ত কুমাৰ কলিতাই এই কথা প্ৰকাশ কৰিছে।

০০০০

সমাপ্ত